জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

**নং ঃ ৮১৯/২০২০**

## মৈত্ৰী আঁচনিৰ অধীনত টিংখাং থানাৰ নৱনিৰ্মিত ভৱন মুকলি কৰিলে মুখ্যমন্ত্ৰীয়ে

## আৰক্ষী নিষ্ঠাৱান হ'লে আটাইতকৈ অধিক লাভান্বিত হ'ব জনসাধাৰণ ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ৯ ডিচেম্বৰ ঃ** মুখ্যমন্ত্ৰী সৰ্বানন্দ সোণোৱালে আজি মৈত্ৰী আঁচনিৰ অধীনত টিংখাং আৰক্ষী থানাৰ নৱনিৰ্মিত ভৱন উদ্বোধন কৰে। উল্লেখ্য যে ১.৭১ কোটি টকা ব্যয় সাপেক্ষে থানাখন নতুন ৰূপত নিৰ্মাণ কৰি উলিওৱা হৈছে।

এই উপলক্ষে থানা চৌহদত আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী সোণোৱালে কয় যে টিংখাং থানাক নতুন ৰূপত সজাই তোলা হৈছে যাতে আগন্তুক দিনত থানাখনে ৰাইজৰ জীৱন আৰু সম্পত্তিৰ নিৰাপত্তাৰ বাবে নিষ্ঠাৰে কাম কৰি যাব পাৰে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ আজিৰ পৃথিৱীত সকলোধৰণৰ নতুন প্ৰত্যাহ্বানৰ যোগ্য প্ৰত্যুত্তৰ দিব পৰাকৈ অসম আৰক্ষীক সাজু কৰি তুলিব লাগিব। গুৱাহাটীত অনুষ্ঠিত সৰ্বভাৰতীয় আৰক্ষী সঞ্চালক প্ৰধানসকলৰ সন্মিলনত প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে স্মাৰ্ট পুলিচ গঢ়াৰ বাবে আহ্বান জনাইছিল বুলি উল্লেখ কৰি মুখ্যমন্ত্ৰীয়ে কয় যে ৰাজ্য চৰকাৰেও অসম আৰক্ষী বাহিনীয়ে কৰ্ম পথাৰত পাৰদৰ্শিতা দেখুৱাব পৰাকৈ ন্যূনতম আন্তঃগাঁথনিমূলক সুবিধাখিনি দিয়াটো নিজৰ দায়িত্ব হিচাপে গ্ৰহণ কৰিছে। ৰাজ্য চৰকাৰে প্ৰথম বাজেটতে ৩৪৪ খন থানা অত্যাধুনিক ৰূপত সজাই তোলাৰ বাবে পুঁজি নিৰ্দ্ধাৰণ কৰি থানাসমূহৰ আধুনিকীকৰণৰ দিশত পদক্ষেপ গ্ৰহণ কৰিছে। মুখ্যমন্ত্ৰীয়ে অসম আৰক্ষীক নিষ্ঠাসহকাৰে কাম কৰি যাবলৈ আহ্বান জনায়।

মুখ্যমন্ত্ৰীয়ে কয় যে জনসাধাৰণ আৰু দেশৰ স্বাৰ্থত নিষ্ঠাৰে কাম কৰাৰ প্ৰতিজ্ঞা লৈ অসম আৰক্ষীয়ে যি পোছাক পৰিধান কৰিছিল সেই পোছাকৰ মৰ্যাদা অক্ষুণ্ণ ৰখাৰ বাবে আৰক্ষীয়ে নিষ্ঠাৰে কাম কৰি যাব লাগিব। আৰক্ষী নিষ্ঠাৱান হ'লে আটাইতকৈ লাভান্বিত হ'ব জনসাধাৰণ। সেইবাবে আৰক্ষী বাহিনীৰ লোকসকলে দায়বদ্ধতাৰে কাম কৰিব লাগিব। তেওঁ কয় যে ২০১৬ চনৰ পৰা দুৰ্নীতিমুক্ত, প্ৰদূষণমুক্ত, সন্ত্ৰাসবাদমুক্ত আৰু বিদেশীমুক্ত অসম গঢ়াৰ দিশত ৰাজ্য চৰকাৰে কাম কৰি আহিছে। সেই বিন্দুকেইটাত উপনীত হোৱাৰ বাবে অসম আৰক্ষীয়েও সমানে কাম কৰি দেখুৱাইছে। ইয়াৰ বাবে অসম আৰক্ষীক লৈ আমি সকলোৱে গৌৰৱান্বিত বুলি মুখ্যমন্ত্ৰীয়ে কয়। অসম আৰক্ষীয়ে দুৰ্নীতিৰ বিৰুদ্ধে যি অভিযান আৰম্ভ কৰিছে তাৰ পৰা কোনো দুৰ্নীতিগ্ৰস্ত লোক হাত সাৰি যাব পৰা নাই। বিগত চাৰে চাৰিটা বছৰত অসম আৰক্ষীয়ে এই দিশত উল্লেখযোগ্য সফলতা লাভ কৰিছে। অন্যান্য ৰাজ্যৰ লগত তুলনা কৰিলে অসমে দুৰ্নীতি নিৰ্মূলৰ যুঁজত শীৰ্ষত আছে বুলিও মুখ্যমন্ত্ৰীয়ে কয়। তেওঁ কয় যে সন্ত্ৰাসবাদমুক্ত অসম গঢ়াৰ দিশত

অসম আৰক্ষীয়ে কাম কৰি আহিছে। নৱনিৰ্মিত থানাখন ৰাইজক উৎসৰ্গা কৰি মুখ্যমন্ত্ৰীয়ে কয় যে থানাৰ প্ৰতিজন বিষয়া-কৰ্মচাৰীয়ে জনসাধাৰণৰ বৃহত্তৰ স্বাৰ্থত কাম কৰিব লাগিব। অপৰাধমূলক কামত যাতে কোনেও উচটনি দিব নোৱাৰে তাৰ ওপৰত নজৰ ৰাখিবলৈ আহ্বান জনায়।

আজিৰ এই অনুষ্ঠানত আৰক্ষী সঞ্চালকপ্ৰধান ভাস্কৰ জ্যোতি মহন্ত আৰু স্থানীয় বিধায়ক বিমল বৰাই ভাষণ প্ৰদান কৰে। সভাত বিধায়কসকল ক্ৰমে প্ৰশান্ত ফুকন, চক্ৰধৰ গগৈ, নবনীতা সন্দিকৈ, অসম আৰক্ষী গৃহ নিৰ্মাণ পৰিষদৰ পৰিচালন সঞ্চালক তথা উপ-আৰক্ষী মহাপৰিদৰ্শক অৰবিন্দ কলিতা, উপ-আৰক্ষী মহাপৰিদৰ্শক জিৎ মল দলে, সোণোৱাল কছাৰী স্বায়ত্তশাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য দিপুৰঞ্জন মাক্ৰাৰী, জিলা উপায়ুক্ত পল্লৱ গোপাল ঝা, আৰক্ষী অধীক্ষক প্ৰতীক বিজয় কুমাৰ থুবে প্ৰমুখ্যে আৰক্ষী বিভাগৰ শীৰ্ষ বিষয়াসকল উপস্থিত থাকে।

**সুঃমিঃকঃ / পুঃডেঃ / প্ৰঃকুঃবঃ**

**৯/১২/২০২০**